**মোৰ**
**প্ৰিয় সতীৰ্থ সকল,**
**বন্ধু-বান্ধৱী সকল আৰু**
**মৰমৰ ছাত্ৰ-ছাত্ৰী সকল ।**

সংস্কৃতত এষাৰ কথা আছে :
- "যোগ্য ভোগ্য বসুন্ধৰা"

বিখ্যাত দাৰ্শনীক , প্ৰকৃতিবীদ চাৰ্লচ ডাৰউইনে কৈছে : "Survival of Fittest"

আজি ল'ক ডাউনৰ ১৬ দিনত ভৰি দিছে : ১০/০৪/২০২০

এই মূহুৰ্ত্তত মোৰ মনলৈ অহা আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল , বাচি থাকিবগৈ নে মানৱ কুল ?? নে ডাইনচ'ৰ লুপ্ত হোৱাৰ দৰে নি:শেষ হৈ যাম আমিবোৰ ৷ সেয়াই হবলে গৈ আছে নেকি ? {ঠিক তেনেকুৱা নহব ছাগে !! } কাৰন আমি মানুহ - "তেত্ৰিছ কোটি" জীৱৰ ভিতৰত আমিয়েই শ্ৰেষ্ঠ ৷ আমাৰ আছে মন-মগজু ,ব'ল-বুদ্ধি , ভাল -বেয়া বিচাৰ কৰিব পৰা গুন৷ যি কোনো পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰা অদম্য শক্তি ৷ আচলতে -"জীৱ শ্ৰেষ্ঠ" এই ধাৰনাতো প্ৰতিষ্ঠা কৰাৰ-" এই সময়েই " উপযুক্ত হিচাপে বিবেচিত হৈছে ৷ আমি জয়ী হব লাগিব , পৃথিৱীত জীয়াই থাকিব লাগিব ,শ্ৰেষ্ঠ হৈয়েই ৷ কিন্তু কেনেকৈ ? এই প্ৰশ্নটো লৈয়েই বহিছো, আপোনালোকে সন্মুখত ৷

সাম্প্ৰতিক পেক্ষাপটত শ্ৰেষ্ঠ বা #যোগ্য ব্যক্তি কোন ? যাৰ যোগ্যতা আছে সিহে ভোগ কৰে ৷
( মোৰ বোধেৰে, পৃথিৱী ধংসকাৰী সাংঘাতিক প্ৰাকৃতিক দূৰ্যোগ ন'হলে ) : -
ক) কভিড-১৯ ভাইৰাচৰ লগত হোৱা যুদ্ধখণত জয়ী হোৱা মানে আপুনি- "#যোগ্য "
খ) ল'কডাউনৰ সময়সীমা দীঘলীয়া হোৱা মানে বিভিন্ন সমস্যাৰ উদ্ভৱ হ'ব ৷ সমস্যাৰ মাজতো জীয়াই থকাজন-"#যোগ্য"
গ) দেশত আৰ্থিক মন্দাৱস্থা হলেও চৰকাৰে দক্ষতাৰে কাৰ্য্য পৰিচালনা কৰি সেৱা আগবঢ়াব পৰা মানে চৰকাৰ -"#যোগ্য "
ঘ) চৰকাৰী চাকৰিয়াল সকলে ঘৰতে থাকি দক্ষতাৰে কাৰ্য্য পৰিচালনা কৰিব পৰাজন -"যোগ্য"
ঙ) শিক্ষকতা বৃত্তিত জড়িত শিক্ষক / কৰ্মচাৰী সকলে আধুনিক শিক্ষা ব্যৱস্থাৰে আজিৰ তাৰিখত দক্ষতাৰে ঘৰৰ পৰা শিক্ষা প্ৰদান কৰিব পৰা জন হল- "#যোগ্য" ৷
চ) যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ইচ্ছা শক্তিৰে শিক্ষা গ্ৰহন কৰিবলৈ সামৰ্থ্য হব তেওঁৰেই - -"যোগ্য"
ছ) কৃষি কৰ্মত জড়িত থকা ব্যক্তি সকলে সংকটৰ মাজতো কৃষি কৰ্ম আগ বঢ়াই নিব পৰা জন -"#যোগ্য"
জ) নিম্ন -মধ্যবিত্ত পৰিয়ালসমূহ কভিড -১৯ ৰ বাবে আজি সংকতৰ গৰাহত ৷ ইয়াৰ মাজতো সাহসেৰে নিজৰ পৰিয়ালটোক আগবঢ়াই নিব পৰাতো -"#যোগ্য" হিচাপে বিবেচিত হব ৷
ঝ) বাতৰিত পোৱা মতে বিশ্ব অৰ্থনীতি মহাসংকটত পৰিলে আগন্তুক দিনত সমগ্ৰ পৃথিৱীৰ বহু নিযুত চাকৰিয়ালৰ চাকৰি যোৱাতো নিশ্চিত ৷ সেইসকল লোকে হতাশ নহৈ জীৱন জিৱিকা চলাই নিয়াৰ সাহস কৰাজন - "#যোগ্য"

যদি সেয়াই হয় ভৱিষ্যতৰ পৃথিৱীখনত আপোনাৰ স্থান ক'ত:

#দক্ষ , স্বাস্থ্যবান -> #যোগ্য ব্যক্তি
#অকামিলা, দূৰ্বল -> #অযোগ্য ব্যক্তি

বিজ্ঞানে কয়:
" Survival of the Fittest "

তাকে #ভাবি বহি আছো :
#মোৰ স্থান ক'ত ?

**ড° ৰঞ্জিত শইকীয়া**
**অধ্যক্ষ**
**চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় ৷**